# ৰঙিয়া কলেজত শৈক্ষিক কাৰ্যসূচী

ৰঙিয়া, ৪ এপ্ৰিল ঃ ৰঙিয়া মহাবিদ্যালয়ৰ শিক্ষা বিভাগে নতুন দিল্লীস্থিত নাকৰ এ ডাবল প্লাছ গ্ৰেডপ্ৰাপ্ত ৰামানুজন কলেজৰ সহযোগত যোৱা ২৯ মাৰ্চৰ পৰা অনুষ্ঠিত কৰা (এফ ডি পি) সাতদিনীয়া অনলাইন শৈক্ষিক কাৰ্যসূচীৰ আজি সামৰণি পৰে। 'ব্লেণ্ডেড লাৰ্নিং কনচেপ্টছ এণ্ড টুলছ' শীৰ্ষক এই কাৰ্যসূচীত ভাৰতবৰ্ষৰ বিভিন্ন মহাবিদ্যালয়ৰ মুঠ ১২৫ গৰাকী সহকাৰী-সহযোগী অধ্যাপকে অংশগ্ৰহণ কৰে। উক্ত কাৰ্যসূচীত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়াই সঞ্চালক আৰু শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা ড° হিমাক্ষী দেৱী তথা ৰামানুজন কলেজৰ ড° আশিস শুক্লাই সমন্বয়কৰ দায়িত্ব পালন কৰে।